# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-SEP-2026
**Time :** 09-00 AM

## *Assamese Morning Bulletin*

————————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি চন্দ্ৰপুৰত ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান- ইছৰ’ৰ উন্নত ৰাডাৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি ৰাজ্যৰ শিক্ষাৰ্থীসকলক বিজ্ঞানৰ প্ৰতি আগ্ৰহী হোৱাৰ আহ্বান জনাইছে। ইছৰ’ৰ অধ্যক্ষ ড০ ভি নাৰায়ণনৰ উপস্থিতিত গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সোণাপুৰৰ ছায়েন্স চিটী আৰু মহাকাশ গৱেষণা কেন্দ্ৰৰ সৈতে ৰাজ্যৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলক জড়িত কৰাৰ চেষ্টা চলোৱা হ’ব। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ বিজ্ঞান শিক্ষাৰ প্ৰতি আগ্ৰহ কম হোৱাৰ বাবে আক্ষেপ প্ৰকাশ কৰে। তেওঁ কয়, যে আত্মনিৰ্ভৰ অসমৰ সপোন পূৰণ কৰিবলৈ হ’লে ৰাজ্যৰ শিক্ষাৰ্থী আৰু যুৱ সমাজক বিজ্ঞান, প্ৰযুক্তিবিদ্যা তথা মহাকাশ বিজ্ঞানৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব।

**বাইট (চি এম)**

চন্দ্ৰপুৰৰ ২০০ বিঘা ভূমিত নেত্ৰা প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ হ’বলগীয়া এই অত্যাধুনিক কেন্দ্ৰটোৱে মহাকাশত থকা বিভিন্ন উপাদানৰ গতি-বিধি নিৰীক্ষণৰ লগতে ভাৰতৰ গুৰুত্বপূৰ্ণ মহাকাশ সম্পদসমূহ সুৰক্ষিত ৰখাৰ ক্ষমতা অধিক শক্তিশালী কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই এসময়ত দেশৰ প্ৰধান প্ৰযুক্তি কেন্দ্ৰসমূহৰ পৰা বহু দূৰত বুলি বিবেচিত হোৱা অসমৰ ভূমিত এনে অত্যাধুনিক ৰাষ্ট্ৰীয় আন্তঃগাঁথনি গঢ় লৈ উঠাটো ৰাজ্যবাসীৰ বাবে সন্তুষ্টিৰ বিষয় বুলি উল্লেখ কৰে। ড° শৰ্মাই এই কৌশলগত ৰাষ্ট্ৰীয় প্ৰকল্পৰ বাবে অসমক বাছনি কৰি ভাৰতৰ মহাকাশ আৰু প্ৰযুক্তিৰ মানচিত্ৰত নতুন স্থান প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে দুবছৰ পূৰ্বে ইছৰ’ই অসমত এই মহাকাশ গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰক প্ৰস্তাৱ দিছিল। ইয়াৰ পাছত চন্দ্ৰপুৰৰ পূৰ্বৰ তাপ বিদ্যুৎ প্ৰকল্পৰ ভূমিত এই গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হয়। অহা বৰ্ষৰ ফেব্ৰুৱাৰীৰ পৰা এই কেন্দ্ৰটোত ডাৰৰ গৱেষণাৰ বাবে প্ৰথমটো ৰাডাৰ স্থাপন কৰা হ’ব।

০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কৰম পূজাৰ আয়োজন কৰিছে। ৰাজ্যৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সমাজৰ অন্যতম প্ৰধান কৃষিভিত্তিক তথা জাতীয় উৎসৱ কৰম পূজা উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে কৃষিভিত্তিক উৎসৱ কৰম পৰ্বৰে প্ৰকৃতিৰ সৈতে মানুহৰ নিবিড় সম্পৰ্ক আৰু সহাৱস্থানৰ অনন্য পৰিচয় দাঙি ধৰে। তেওঁ কয়, যে এই পৰ্বৰ আধ্যাত্মিকতা, লোকবিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰাৰ সমাহাৰেৰে সমৃদ্ধ।

শস্য নদন-বদন হোৱা আৰু কৃষি কাৰ্যত কোনো বাধা-বিঘিনি নঘটি উৎপাদিত শস্যৰ পৰিমাণ বৃদ্ধি হোৱাৰ কামনাৰে এই পূজা কৰা হয়। পূজাৰ মূল অংশ হিচাপে কৰম গছৰ ডাল আনি বিশেষ পূজা-অৰ্চনা

কৰা হয়। মাদলৰ চেৰত ঝুমইৰ নৃত্য আৰু লোকগীতেৰে পূজাস্থলী আৰু চাহ বাগিচাসমূহ উখল-মাখল হৈ পৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ ৯৬ বছৰীয়া মুক্তি যুঁজাৰু তথা অৱসৰপ্ৰাপ্ত শিক্ষক ফণীধৰ গগৈৰ বাসগৃহত কালি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত হয়। ৰাজ্যপাল শ্ৰী আচাৰ্যই তেওঁক **ৰাজ্যপাল অসম জ্যেষ্ঠ নাগৰিক সন্মান** প্ৰদান কৰে। দেশৰ স্বাধীনতা সংগ্ৰামত আগবঢ়োৱা অৱদান আৰু শিক্ষকতাৰে সমাজলৈ আগবঢ়োৱা সেৱাৰ বাবে ৰাজ্যপালগৰাকীয়ে শ্ৰীগগৈক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাজ্যপাল শ্ৰীআচাৰ্য্যই কয় যে ৯৬ বছৰীয়া জীৱন যাত্ৰাত ফণীধৰ গগৈৰ অভিজ্ঞতা, ত্যাগ, সংস্কাৰ আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতা সমাজৰ বাবে অমূল্য সম্পদ। জ্যেষ্ঠ নাগৰিকসকল সমাজৰ পথ প্ৰদৰ্শক আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰেৰণৰ উৎস বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

নিচামুক্ত ভাৰত সংকল্পৰ অধীনত নিচামুক্ত অসমৰ দিশে শক্তিশালী পদক্ষেপৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় জিলা পুথিভঁড়ালত কালি নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে এলানি সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই উপলক্ষে ডিব্ৰুগড় জিলা পুথিভড়ালৰ পৰা চৌকিদিঙি খেলপথাৰলৈ পদযাত্ৰা কৰা হয়। এই কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, মন্ত্ৰী ৰামেশ্বৰ তেলী, সাংসদ তেৰচ গোৱালা, বিধায়ক চক্ৰধৰ গগৈ আদি উপস্থিত থাকে।

০০০০০০

বিশ্বনাথ জিলা আয়ুক্ত কৰবী শইকীয়া কৰণে কালি আৰক্ষী অধীক্ষক আছিফ আহমেদৰ সৈতে বিশ্বনাথ জিলা কাৰাগাৰ পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত জিলা আয়ুক্তগৰাকীয়ে কাৰাগাৰৰ বিষয়া, আৰু কয়দীসকলৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ কাৰাগাৰৰ আন্তঃগাথনি, নিৰাপত্তা ব্যৱস্থা আৰু অন্যান্য সা-সুবিধাসমূহৰো বুজ লয়। লগতে কাৰাগাৰৰ সুৰক্ষা, পৰিস্কাৰ পৰিচ্ছন্নতা আৰু সামগ্ৰিক উন্নয়ন অধিক ত্বৰান্বিত কৰাৰ বাবে কাৰাগাৰ কৰ্তৃপক্ষক পৰামৰ্শ আগবঢ়ায়।

০০০০০০

**সমাপ্ত**